জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ১২৭/২০২০

# বিশিষ্ট খেলুৱৈ, প্ৰশিক্ষক আব্দুল লতিফৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৪ মাৰ্চ** ঃ আন্তঃৰাষ্ট্ৰীয় ফুটবলাৰ, বিশিষ্ট ফুটবল প্ৰশিক্ষক আব্দুল লতিফৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত লতিফ ডাঙৰীয়াই দেশৰ ক্ৰীড়া ক্ষেত্ৰখনলৈ যি অনন্য বৰঙণি আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাখনো উচ্চখাপৰ প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰা প্ৰয়াত লতিফে নিজৰ ক্ৰীড়া নৈপুণ্যতাৰে দেশলৈ সুনাম কঢ়িয়াবলৈ সক্ষম হৈছিল। ৰাজ্যখনৰ এগৰাকী অগ্ৰণী ফুটবল প্ৰশিক্ষক হিচাপেও দীৰ্ঘকাল ধৰি সেৱা আগবঢ়োৱা খেলুৱৈ গৰাকীয়ে নতুন প্ৰজন্মৰ মাজত ফুটবল খেলক জনপ্ৰিয়কৰণৰ বাবে নিৰলস প্ৰয়াস চলাই গৈছিল। ৰাজ্যখনৰ বিভিন্ন ক্ৰীড়া সংগঠনৰ লগত জড়িত থাকি ক্ৰীড়াৰ উত্তৰণৰ বাবে তেওঁ আজীৱন কাম কৰি গৈছিল। তেখেতৰ মৃত্যু ৰাজ্যখনৰ ক্ৰীড়াজগতৰ বাবে এক অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত আব্দুল লতিফৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

প্ৰয়াত আব্দুল লতিফৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

প্ৰঃকুঃবঃ / পুঃডেঃ
২৪/০৩/২০২০